প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## বৰাক উপত্যকাৰ গ্ৰামোন্নয়ন

## কৰিমগঞ্জ জিলাত গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বুজ ল'লে মন্ত্ৰী দলেয়ে

## চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনৰ পুঁজি অহা তিনিমাহৰ ভিতৰত ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ

## এমজিএনৰেগাত ইচ্ছুক ব্যক্তিক তৎকালীনভাৱে জব কাৰ্ড, কাম আৰু মজুৰি দিয়াটো নিশ্চিত কৰিবলৈ আহ্বান

## বিভাগৰ সাৰ্বজনীন বৃদ্ধ আৰু বিধৱা পেন্সন প্ৰদানৰ বাবে গাঁও আৰু নগৰাঞ্চলত সজাগতা সৃষ্টি কৰাৰ পোষকতা মন্ত্ৰী দলেৰ

**কৰিমগঞ্জ ১৬ জুন ঃ** —তিনিদিনীয়া ভ্ৰমণ সূচীৰে বৰাক উপত্যকা ভ্ৰমণত থকা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে আজি কৰিমগঞ্জ জিলাত উপস্থিত হৈ জিলাখনৰ গ্ৰামোন্নয়ন বিভাগৰ সকলো ক্ষেত্ৰীয় বিষয়াৰ লগতে কৰিমগঞ্জ জিলাৰ জনপ্ৰতিনিধিসকল আৰু জিলাপ্ৰশাসনৰ বিষয়াসকলৰ লগত জিলাখনৰ উপায়ুক্তৰ সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা সভাত মিলিত হয়।

সভাত বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহ যেনে, মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি (এমজিএনৰেগা), প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পিএমএৱাই-জি), ৰাষ্ট্ৰীয় সামজিক সাহায্য আঁচনি (এনএছএপি), চতুৰ্দশ বিত্তীয় আয়োগ, পঞ্চায়তৰ নিজা ৰাজহ সংগ্ৰহৰ ব্যৱস্থা আদিৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এএছআৰএলএম)ৰ কাম-কাজ সম্পৰ্কত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই জিলাখনত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণ সম্পৰ্কত বিতং তথ্য উপস্থাপন কৰি বিভিন্ন আঁচনিৰ উন্নত কৰিবলগীয়া শিতানসমূহ আঙুলিয়াই দিয়ে। ইয়াৰ ভিত্তিত মন্ত্ৰী দলেয়ে বিভিন্ন আঁচনিৰ ৰূপায়ণ খৰতকীয়া কৰিবৰ বাবে ক্ষেত্ৰীয় পৰ্যায়ত সন্মুখীন হৈ থকা অসুবিধাসমূহৰ বুজ লোৱাৰ লগতে এই অসুবিধাসমূহ দূৰীকৰণৰ অৰ্থে বিভিন্ন পদক্ষেপ লোৱাৰ বাবে পৰামাৰ্শ আগবঢ়ায়। তদুপৰি প্ৰতিটো আঁচনিৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবৰ বাবে সময় নিৰ্দ্ধাৰিত কৰি দিয়ে।

সভাত এমজিএনৰেগাৰ সফল ৰূপায়ণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে বৰ্তমান কোভিড-১৯ৰ সংক্ৰমণৰ বাবে সৃষ্টি হোৱা প্ৰতিকূল পৰিস্থিতিৰ জোৰা মাৰিবলৈ বিভিন্ন প্ৰান্তৰ পৰা নিজ নিজ গাঁৱলৈ উভতি অহা ইচ্ছুক লোকসকলক তৎকালীনভাৱে জব কাৰ্ড প্ৰদান কৰি কাম দিবৰ বাবে আহ্বান জনায়। গাঁও পঞ্চায়তসমূহত এতিয়াও পৰ্যাপ্ত আঁচনি অনুমোদন নোহোৱা বিষয়টোত অসন্তুষ্টি ব্যক্ত কৰি এইক্ষেত্ৰত তৎকালীনভাৱে তদাৰক কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে।

ইয়াৰ উপৰি সংকল্প চফটৱেৰৰ জৰিয়তে বহিঃৰাজ্যৰ পৰা অহা শ্ৰমিকসকলৰ তথ্য আহৰণৰ বাবে চলোৱা অভিযান কম দিনৰ ভিতৰত সমাপ্ত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে যাতে তেওঁলোকৰ দক্ষতা অনুসৰি এমজিএনৰেগা, পিএমএৱাই-জি আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ লগতে অন্য ব্যৱস্থাৰে কাম দিয়াৰ ব্যৱস্থা কৰিব পাৰি। তদুপৰি প্ৰতিখন গাঁও পঞ্চায়তে নীতি অনুসৰি ব্যক্তিগত হিতাধিকাৰী আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈও তেওঁ আহ্বান জনায়।

সময়মতে মজুৰি প্ৰদান কৰাটো নিশ্চিত কৰাৰ লগতে অহা দহ দিনৰ ভিতৰত জব কাৰ্ড আৰু হিতাধিকাৰীৰ বেংক একাউণ্ট পৰীক্ষণ প্ৰক্ৰিয়া সমাপ্ত কৰিবলৈও তেওঁ কঠোৰ নিৰ্দেশনা দিয়ে। তদুপৰি পিএমএৱাই-জিৰ হিতাধিকাৰীসকলে এমজিএনৰেগাৰ অধীনত পাবলগীয়া ৯৫ দিনৰ মজুৰি ১৫ দিনৰ ভিতৰত প্ৰদান কৰিবলৈও নিৰ্দেশ দিয়ে। কাৰিকৰীভাৱে নাকচ হোৱা মজুৰি প্ৰদানৰ বিষটো তৎকালীনভাৱে সমাধা কৰি অহা ২০ দিনৰ ভিতৰত এই মজুৰি প্ৰদান নিশ্চিত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। তদুপৰি আঁচনি গ্ৰহণৰ ক্ষেত্ৰত প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা বিষয়ক আঁচনিৰ ৬৫ শতাংশৰ অনুপাত বাধ্যতামূলকভাৱে মানি

চলিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

গ্ৰাম্য দুখীয়া জনসাধাৰণক বাসস্থান প্ৰদানৰ দৰে পৱিত্ৰ কামটি নিষ্ঠাসহকাৰে পালন কৰি পিএমএৱাই-জিৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ এতিয়াও অনুমোদন দিবলৈ বাকী থকা ৫,২৩৬ টা আৱাস গৃহৰ অনুমোদন দিবলৈ নিৰ্দেশ দিয়াৰ লগতে এই দুয়োটা পৰ্যায়ৰ গৃহসমূহ জুলাই মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনা দিয়ে যাতে তৃতীয় পৰ্যায়ৰ গৃহসমূহ সময়মতে সম্পূৰ্ণ কৰি অতিৰিক্ত তালিকাৰ অধীনত ভাৰত চৰকাৰৰ পৰা আৰু অধিক গৃহ লাভ কৰিব পাৰি। আনহাতে ভূমিহীন পৰিয়ালসকলৰ বাবে ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে।

জিলাখনৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতি (পিএফএমএছ)ত পঞ্জীয়ণ নোহোৱা এনএছএপিৰ অধীনৰ হিতাধিকাৰীৰ তথ্যসমূহ তৎকালীনভাৱে পুনৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা লোৱাৰ লগতে দেশৰ ভিতৰতে কেবল অসমত আৰম্ভ কৰা কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি দুখনত গাঁৱৰ লগতে নগৰ অঞ্চলৰ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। নগৰাঞ্চলত এই আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা কমি থকা বাবে সজাগতা সৃষ্টি কৰি এই সংখ্যা বঢ়াবলৈও তেওঁ নিৰ্দেশ দিয়ে।

আনহাতে জিলাখনৰ সমূহ পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত এতিয়াও খৰচ কৰিবলৈ বাকী থকা ১০০.৯৫ কোটি টকাৰে ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰি অহা তিনিমাহৰ ভিতৰত এই পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। নতুন আঁচনিৰ লগতে আধৰুৱা হৈ থকা আঁচনিসমূহ সম্পূৰ্ণ কৰিবলৈও তেওঁ নিৰ্দেশনা দিয়ে।

আনহাতে এএছআৰএলএমৰ অধীনত কৰিমগঞ্জ জিলাৰ আত্মসহায়ক গোটৰ সদস্য জয়া সিন্হাই লক ডাউনৰ সময়ত কাঠফুলা উৎপাদনেৰে ৰাইজলৈ আগবঢ়োৱা উল্লেখনীয় সেৱাৰ বাবে ভাৰত চৰকাৰৰ পৰা প্ৰশংসিত হোৱাত সন্তুষ্টি ব্যক্ত কৰি মন্ত্ৰী দলেয়ে তেওঁক অভিনন্দন জনাই আনসকল গোটকো এই আদৰ্শৰে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। গোটসমূহৰ বাকী থকা বেংক একাউণ্টসমূহ খোলাৰ বাবে জিলা উপায়ুক্ত আৰু মুখ্য কাৰ্যবাহী বিষয়াক আগভাগ ল'বলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। তদুপৰি সকলো গাঁও পঞ্চায়তকে ২,০০০ কৈ মাস্ক কিনিবলৈ ইতিমধ্যে দিয়া নিৰ্দেশ তৎকালীনভাৱে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ পৰ্যলোচনা সভাত কৰিমগঞ্জ সংসদীয় সমষ্টিৰ সাংসদ কৃপানাথ মল্ল, কৰিমগঞ্জ জিলা পৰিষদৰ সভাপতি আশীষ নাথ, উত্তৰ কৰিমগঞ্জ, বদৰপুৰ, দক্ষিণ কৰিমগঞ্জ আৰু পাথাৰকান্দি সমষ্টিৰ বিধায়ক ক্ৰমে কমলাক্ষ দে পুৰকায়স্থ, জামালুদ্দিন আহমেদ, আজিজ আহমেদ খান আৰু কৃষ্ণেন্দু পাল, কৰিমগঞ্জ জিলাৰ উপায়ুক্ত অন্বমুথন এম পি, বৰাক উপত্যকাত নিয়োজিত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শেখৰ দে, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অমলেন্দু ৰয় উপস্থিত থাকে। সভাত সাংসদ আৰু বিধায়কসকলে বিভিন্ন ক্ষেত্ৰত প্ৰতিকাৰমূলক পৰামৰ্শ আগবঢ়ায়।

আজিৰ পৰ্যালোচনা সভাত উপস্থিত থাকি বিভাগৰ আয়ুক্ত হেমেন দাসে বিভাগৰ অধীনত ৰূপায়িত হৈ থকা আঁচনিসমূহৰ ৰূপায়ণ ক্ষীপ্ৰ কৰাৰ বাবে আজি বিভাগীয় মন্ত্ৰীয়ে নিৰ্দ্ধাৰণ কৰি দিয়া সময় মতে নিষ্ঠা আৰু দায়বদ্ধতাৰে সকলো কাম সম্পন্ন কৰিবলৈ সকলোকে আহ্বান জনাই এই ক্ষেত্ৰত আয়ুক্তালয়ৰ পৰা সম্পূৰ্ণ সহযোগ আগবঢ়োৱা হ'ব বুলি উল্লেখ কৰি সভাত উপস্থিত থকা সাংসদ, বিধায়ক তথা জিলা পৰিষদৰ সভাপতিগৰাকীৰ লগতে উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সভাত এ এছ আৰ এল এমৰ অতিৰিক্ত মিছন সঞ্চালক ক্ষিতিশ পেগুকে ধৰি বিভাগৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৬-০৬-২০২০*




SRI NABA KUMAR DOLEY
Hon'ble MP Karimganj


CONFERENCE HALL
DEPUTY COMMISSIONERS OFFICE
IMPLEMENTING OF VARIOUS PANCHAYAT
& RURAL DEVELOPMENT SCHEMES OF
KARIMGANJ DISTRICT
SRI NABA KR. DOLEY
DR. J.B. EKKA, IAS


GOVT. OF ASSAM
CONFERENCE HALL
DEPUTY COMMISSIONERS OFFICE
KARINGANJ


GOVT. OF ASSAM
CONFERENCE HALL
DEPUTY COMMISSIONERS OFFICE
KARIMGANJ

